ISSN : 2347-7180

(A Bilingual Research Journal earlier indexed in UGC-CARE List)

# DOGO RANGSANG
# দগো ৰাংছাং

CHIEF EDITOR (HON.) : Dr. Upen Rabha Hakacham
EDITORS (HON.) : Dr. Lalit Chandra Rabha
: Dr. Pranita Barman

মুখ্য সম্পাদক (অবৈতনিক) : ড° উপেন ৰাভা হাকাচাম
সম্পাদকদ্বয় (অবৈতনিক) : ড° ললিত চন্দ্ৰ ৰাভা
: ড° প্ৰনীতা বৰ্মন

Research Journal, Vol.: XII
Issue: XXVI :: January, 2025
গৱেষণা পত্ৰিকা, দ্বাদশ বছৰ
ষষ্ঠবিংশ সংখ্যা, জানুৱাৰী, ২০২৫

Dogo Rangsang Research Journal
(A Bilingual Research Journal
Earlier Indexed in UGC-CARE List)

ISSN : 2347-7180
Vol. XII, Issue XXVI, January, 2025

# সূচীপত্ৰ
# CONTENT

**অসমীয়া বিভাগ ঃ**

(১) 'প্ৰকাশ' আলোচনীৰ প্ৰথম দহ বছৰৰ সম্পাদকীয় ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন
● **বিপুল ডেকা/১৩**

(২) জনগোষ্ঠীয় প্ৰেক্ষাপটত মৌচুমী কন্দলীৰ 'লাম্‌বাদা নাচৰ শেষত' ঃ এটি আলোচনা
● **ড° পুণ্য লতা গোহাঁই/২০**

(৩) ৰংবং তেৰাঙৰ চুটিগল্পৰ কথন ৰীতি ঃ এটি আলোচনা
● **মিথন ৰয়/৩১**

(৪) মিচিং ভাষাত ক্ৰিয়াপদৰ নঞৰ্থকতা ঃ এটি বৰ্ণনাত্মক অধ্যয়ন
● **ৰাজু ৰেগন ● ড° দীপক দাস/৩৬**

(৫) সৌৰভ কুমাৰ চলিহা আৰু তেওঁৰ চুটিগল্পৰ সামগ্ৰিক প্ৰেক্ষাপট
● **ড° লোহিত ৰাভা/৪৩**

(৬) মধ্য অসমৰ তিৱাসকলৰ 'লালিলাং গীত' আৰু 'গদালীপৰীয়া গীত'ৰ ঐতিহ্য আৰু বিৱৰ্তন
● **ড° জ্যোতিৰ্ময় বৰদলৈ/৪৯**

**ENGLISH SECTION :**

(7) Preserving Voices: The Art of Translating Indigenous Literature from Arunachal Pradesh
● **Dr. Subhashis Banerjee /61**

(8) A Comparative Study of Address forms in Assamese and Bengali
● **Sohinee Sarkar /71**

Dogo Rangsang Research Journal
(A Bilingual Research Journal
Earlier Indexed in UGC-CARE List)

ISSN : 2347-7180
Vol. XII, Issue XXVI, January, 2025

# ‘প্ৰকাশ’ আলোচনীৰ প্ৰথম দহ বছৰৰ সম্পাদকীয় ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

● বিপুল ডেকা
সহকাৰী অধ্যাপক, বাপুজী মহাবিদ্যালয়, সৰুক্ষেত্ৰী, সৰ্থেবাৰী- ৭৮১৩০৭
E-mail: bipulbapujee@gmail.com, ফোন ঃ ৮৭২১৮০৬৫৩৮

**সংক্ষিপ্তসাৰ ঃ** *আধুনিক অসমীয়া সাহিত্যৰ বিকাশ আৰু বিস্তাৰত আলোচনীসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। ‘ৰামধেনু’ পৰৱৰ্তী অসমীয়া আলোচনীসমূহৰ ভিতৰত ‘প্ৰকাশে’ আধুনিক অসমীয়া সাহিত্যৰ বিকাশ আৰু বিস্তাৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। অসমীয়া সাহিত্যৰ গতিপথ নিৰ্দেশ কৰাৰ লগতে সাহিত্যৰ সকলো বিলাক শাখাৰ বিকাশত বিশেষ গুৰুত্ব দিছিল। সেয়ে ‘প্ৰকাশ’ত অসমীয়া উপন্যাস সাহিত্যকে ধৰি আটাইবিলাক শ্ৰেণীৰে পূৰ্ণ বিকাশ সম্ভৱ হৈছিল। ‘প্ৰকাশ’ৰ এই প্ৰচেষ্টা ইয়াৰ সম্পাদকীয়ত ভালদৰে উপলব্ধ হয়। ইয়াৰ উপৰি ‘প্ৰকাশ’ৰ সম্পাদকীয়ত সমকালীন সমাজত দেখা দিয়া সমস্যাসমূহৰ ওপৰতো গভীৰ আলোকপাত কৰা দেখা যায়। আধুনিক অসমীয়া সাহিত্যৰ প্ৰতিবন্ধকতাৰ দিশসমূহো বিস্তৃতভাবে ‘প্ৰকাশ’ৰ সম্পাদকীয়ত আলোচনা কৰা হৈছে। ‘প্ৰকাশ’ৰ প্ৰথম দহ বছৰৰ সম্পাদকীয় ‘দৃষ্টিকোণ’ত আলোচনীখনৰ সৰ্বত্ৰ বিকাশৰ লগতে আধুনিক অসমীয়া সাহিত্যৰ বিকাশ আৰু বিস্তাৰৰ বাবে উচিত পদক্ষেপ গ্ৰহণ কৰা দেখা যায়।*

**বীজ শব্দ ঃ** *আলোচনী, প্ৰকাশ, আধুনিক, চন্দ্ৰপ্ৰসাদ শইকীয়া।*

**০.০ অৱতৰণিকা ঃ**

সম্পাদক হিচাপে চন্দ্ৰপ্ৰসাদ শইকীয়া এগৰাকী বিশিষ্ট সম্পাদক। এই বিশিষ্টতা তেখেতে সম্পাদনা কৰা ‘মণিদীপ’, ‘অসমীয়া’, ‘প্ৰকাশ’ আৰু ‘গৰীয়সী’ আলোচনীত লক্ষ্য কৰা যায়। ১৯৭৫ চনৰ এপ্ৰিল মাহৰ পৰা প্ৰকাশ পাবলৈ লোৱা ‘প্ৰকাশে’ ‘ৰামধেনু’ পৰৱৰ্তী আধুনিক অসমীয়া সাহিত্যৰ ধাৰাটো কেৱল প্ৰৱহমান কৰিয়ে ৰখা নাছিল, অথচ ইয়াক অধিক গতিশীল কৰি তুলিবলৈ চেষ্টা কৰিছিল। ‘ৰামধেনু’ত আধুনিক অসমীয়া উপন্যাসৰ বিকাশ সমূলি নাছিল। কিন্তু ‘প্ৰকাশে’ কেবাখনো বিখ্যাত উপন্যাসৰ জন্ম দিবলৈ সক্ষম হৈছিল। ইয়াৰ ভিতৰত নৱকান্ত বৰুৱাৰ ‘গৰমা কুঁৱৰী’, দেবেন্দ্ৰনাথ আচাৰ্যৰ ‘জঙ্গম’, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ ‘ফুলকোঁৱৰৰ পখীঘোঁৰা’, মামণি ৰয়ছম গোস্বামীৰ ‘দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা’, ৰং বং তেৰাঙৰ ‘ৰংমিলিৰ হাঁহি’ উল্লেখযোগ্য। অধুনিক অসমীয়া কবিতাৰো ‘প্ৰকাশ’ৰ স্তৰত উত্তৰণ ঘটিছিল। তেনেদৰে ‘চিঠি-পত্ৰ-সমালোচনা’, অনুবাদ সাহিত্য, গল্প সাহিত্য, সাক্ষাৎকাৰ আদিৰ জৰিয়তে ‘প্ৰকাশে’ আধুনিক অসমীয়া সাহিত্যলৈ বৈভৱ আনি দিছিল। ‘প্ৰকাশ’ৰ এই সকলো প্ৰচেষ্টাৰ উমান পোৱা যায় ইয়াৰ সম্পাদকীয়ত। এই গৱেষণা-পত্ৰত ‘প্ৰকাশ’ৰ প্ৰথম দহ বছৰৰ সম্পাদকীয়ৰ বিশ্লেষণ কৰি আধুনিক অসমীয়া সাহিত্যলৈ ‘প্ৰকাশ’ৰ অৱদানৰ মূল্যায়ন কৰা হৈছে।

**০.১ অধ্যয়নৰ উদ্দেশ্য আৰু প্ৰয়োজনীয়তা ঃ**

আধুনিক অসমীয়া সাহিত্যৰ বিকাশত আলোচনীৰ অৱদানৰ বিষয়ে কৰা আলোচনা, চিন্তা-চৰ্চা আৰু গৱেষণাত আলোচনীসমূহৰ সম্পাদকীয়ৰ বিশেষ ভূমিকা আছে। আলোচনীখনৰ লক্ষ্য, উদ্দেশ্য আৰু নিৰ্দিষ্ট বিষয়ত আগবাঢ়ি

যোৱাৰ পদ্ধতি ইয়াৰ সম্পাদকীয় পৃষ্ঠাতেই অন্তৰ্নিহিত হৈ থাকে। 'প্ৰকাশ' আলোচনীৰ ক্ষেত্ৰতো এই কথা লক্ষ্য কৰা যায়। 'প্ৰকাশ'ৰ সম্পাদকীয় পৃষ্ঠাৰ বিশ্লেষণৰ উদ্দেশ্যেৰে এই গৱেষণা-পত্ৰ প্ৰস্তুত কৰা হৈছে।

'প্ৰকাশ'ক এখন মানবিশিষ্ট আলোচনী হিচাপে প্ৰতিষ্ঠা কৰাত 'প্ৰকাশ'ৰ সম্পাদকৰ বিশেষ ভূমিকা আছিল। তেখেতৰ এই ভূমিকাৰ উমান পাব পাৰি ইয়াৰ সম্পাদকীয়ত। 'প্ৰকাশ'ৰ প্ৰতিটো সংখ্যাৰ সম্পাদকীয়ত নতুন বিষয়বস্তু উপস্থাপন কৰি অসমীয়া সাহিত্য-সংস্কৃতি আৰু সামাজিক ক্ষেত্ৰৰ গতিপথ নিৰ্দেশ কৰাৰ প্ৰচেষ্টা অনুভৱ কৰিব পাৰি। অধ্যয়নৰ পৰা দেখা গৈছে যে আন সাহিত্য আলোচনীৰ তুলনাত 'প্ৰকাশ'ৰ প্ৰথম দহ বছৰৰ সম্পাদকীয় আছিল অধিক বলিষ্ঠ। 'প্ৰকাশ'ৰ সম্পাদকীয়ৰ এই গুৰুত্ব উপলব্ধি কৰি গৱেষণা কাৰ্যত অগ্ৰসৰ হোৱা গৈছে।

**০.২ অধ্যয়নৰ পৰিসৰ ঃ**

পৰ্যায়ক্ৰমে আলোচনী এখন বিভিন্নজন সম্পাদকে সম্পাদনা কৰা দেখা যায়। কিন্তু সকলোবিলাক সম্পাদকৰ হাতত আলোচনীখনে বিশিষ্টতা প্ৰতিপন্ন কৰিব নোৱাৰে। এই কথাটো 'প্ৰকাশ'ৰ ক্ষেত্ৰতো অনুভৱ কৰিব পাৰি। যদিও কেকেইজনো সম্পাদকে 'প্ৰকাশ'ৰ সম্পাদকৰ দায়িত্ব পালন কৰিছিল, তথাপি চন্দ্ৰপ্ৰসাদ শইকীয়া সম্পাদিত 'প্ৰকাশ'হে বিশিষ্টতা দাবী কৰিবলৈ সক্ষম। গতিকে 'প্ৰকাশ'ৰ প্ৰথম দহ বছৰৰ সম্পাদকীয় গৱেষণাৰ পৰিসৰ হিচাপে নিৰ্ধাৰণ কৰা হৈছে।

**০.৩ অধ্যয়নৰ পদ্ধতি ঃ**

'প্ৰকাশ'ৰ প্ৰথম দহ বছৰৰ সম্পাদকীয় ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন - শীৰ্ষক বিষয়টোৰ গৱেষণা প্ৰধানকৈ বিশ্লেষণাত্মক পদ্ধতিৰে সমাপন কৰা হৈছে।

**১.০ মূল বিষয় ঃ**

১৯৭৫ চনৰ এপ্ৰিল মাহত 'প্ৰকাশ'ৰ ১ম সংখ্যা প্ৰকাশ পায়। প্ৰথম অৱস্থাত প্ৰকাশ তিনিমহীয়াকৈ বছৰেকত ৪টা সংখ্যা প্ৰকাশ পাইছিল। ১ম সংখ্যাৰ সম্পাদনা সমিতিৰ সদস্যসকল আছিল অতুলচন্দ্ৰ হাজৰিকা, হৰেন্দ্ৰ নাথ বৰুৱা, সতীশচন্দ্ৰ কাকতি, হোমেন বৰগোহাঞি আৰু ভবেন্দ্ৰ নাথ শইকীয়া। ১৯৭৭ চনৰ পৰা 'প্ৰকাশ' মাহেকীয়া হিচাপে প্ৰকাশ পাবলৈ লয়। প্ৰকাশ'ৰ সম্পাদকীয়ৰ নাম দিয়া হৈছিল 'দৃষ্টিকোণ'। বহুক্ষেত্ৰত প্ৰকাশৰ সম্পাদকীয়ই নতুন চিন্তা চেতনাৰ উন্মেষ কৰাৰ প্ৰচেষ্টা দেখা যায়। আধুনিক অসমীয়া সাহিত্যৰ গতিপথ নিৰ্দেশ কৰিবলৈ কৰা বিৰামহীন প্ৰচেষ্টা 'প্ৰকাশ'ৰ সম্পাদকীয়ৰ এটা বৈশিষ্ট্য। "... সৃষ্টিশীল সাহিত্যৰ ক্ষেত্ৰত বিদেশী প্ৰভাৱৰপৰা মুক্ত হৈ থকাটো সাহিত্যৰ মহত্ত্বৰ বাবেই অপৰিহাৰ্য। অসমৰ জীৱন-মাটি পানীৰ প্ৰচণ্ড স্পৰ্শ নপৰিলে কোনো অসমীয়া ৰচনাই বৰণীয় নহ'ব— এটা মহৎ অসমীয়া গল্প উপযুক্তভাৱে অনুবাদ কৰিলে পৃথিৱীৰ যিকোনো ভাষাতেই সি মহৎ হোৱাৰ যোগ্যতা অৰ্জন কৰিব। ব্ৰহ্মপুত্ৰক কেন্দ্ৰমণি হিচাপে লৈ অসমীয়া ভাষাত কোনো এখন প্ৰখ্যাত উপন্যাস এতিয়ালৈকে সৃষ্টি নোহোৱাটো আমাৰ জাতীয় জীৱনৰ এক কলঙ্ক।"[১] সভ্যতা আৰু জাতি গঠনত নদীসমূহৰ বিশেষ ভূমিকা আছে। বৃহৎ নদী এখন অঞ্চল একোটাৰ জীৱন ৰেখা স্বৰূপ। ব্ৰহ্মপুত্ৰক বাদ দি অসমীয়া সভ্যতা সংস্কৃতিৰ কথা চিন্তা কৰিব নোৱাৰি। সাহিত্যই যেতিয়ালৈ একোটা জাতিৰ সভ্যতা-সংস্কৃতিৰ মৰ্মস্থলত প্ৰৱেশ কৰিব নোৱাৰে, তেতিয়ালৈকে তেনে সাহিত্যই ভাবজগতত কম্পন তুলিব নোৱাৰে। পৰিতাপৰ কথা অসমীয়া সাহিত্যত ব্ৰহ্মপুত্ৰক লৈ এখনো উপন্যাস ৰচিত নহ'ল। 'প্ৰকাশ'ৰ সম্পাদক চন্দ্ৰপ্ৰসাদ শইকীয়াই কৰা আক্ষেপ সেয়ে দলিয়াই পেলাব নোৱাৰি। 'দৃষ্টিকোণ'ত উচিতভাৱে কোৱা হৈছে, কেৱল বিদেশী সাহিত্যৰ অনুকৰণে জাতি একোটাৰ সাহিত্যক সমৃদ্ধ কৰিব নোৱাৰে। এচামক গৰ্ব পৰ্বতৰ পৰা নমাই অনা আৰু আন এচামক সাহিত্য সৃষ্টিৰ প্ৰেৰণা যোগোৱা দুয়োটা প্ৰচেষ্টা 'দৃষ্টিকোণ'ত দেখা যায়। কেতিয়াবা এই প্ৰচেষ্টাই সম্পাদকৰ মনত নিৰাশাৰ সৃষ্টি কৰিছে। "কিছুদিনৰ আগতে আমাৰ এই আলোচনীতে এজন তৰুণ বুদ্ধিজীৱী অধ্যাপকে "বেদবীক্ষা" শীৰ্ষক এক দুৰন্ত সাহসী প্ৰবন্ধ লেখিছিল ঃ সংস্কাৰ-বিৰোধী এনে প্ৰবন্ধই ভাৰতৰ অন্য বুদ্ধিজীৱী সমাজত প্ৰবল তৰ্কৰ সৃষ্টি কৰিলেহেঁতেন। কিন্তু সেই বিষয়ে সামান্য এটা বাক্যও সম্পাদকলৈ কোনেও নিলিখিলে"[২]। উন্নত জাতিসমূহে তেওঁলোকৰ কৃতবিদ্য সাহিত্যিকৰ সাহিত্য কৰ্মৰ





বিস্তৃত আলোচনা সমালোচনাত প্ৰবৃত্ত হয়। সেই জাতিসমূহৰ অনুপ্ৰেৰণাৰ মূল উৎস হ'ল তেওঁলোকৰ দেশ আৰু তাৰ নাগৰিক। 'প্ৰকাশ'ৰ সম্পাদকে অসমীয়া জাতিৰ ক্ষেত্ৰত এই গুণৰ অভাৱ দেখিছে। উদাহৰণস্বৰূপে শংকৰদেৱৰ কথা কৈছে। তেখেতে আৰু কৈছে যে কেৱল বেজবৰুৱাইহে শংকৰদেৱক নামঘৰৰপৰা উলিয়াই আনি জাতীয় জীৱনত প্ৰতিষ্ঠা কৰিছে। কিন্তু শংকৰদেৱৰ আলোচনা যিমান হ'ব লাগিছিল তিমান হোৱা নাই। ইয়াৰ ফলত বিশ্ববাসীৰ ওচৰত শংকৰদেৱৰ প্ৰতিভা অপৰিচিত হৈ ৰ'ল। শংকৰদেৱৰ আলোচনাই সমালোচনা সাহিত্যকো সমৃদ্ধ কৰাৰ অৱকাশ আছিল। কিন্তু সেয়াও সম্পূৰ্ণ নহ'ল। "আমাৰ মূল বক্তব্য হ'ল প্ৰথমতে কোৱাৰ দৰে আমাৰ সাহিত্যৰ মূল উৎস আৰু অনুপ্ৰেৰণা হ'ব লাগিব অসম দেশ আৰু অসমবাসী। অসমীয়া ভাষাত লেখা উৎকৃষ্ট এক ৰচনা সৰ্বভাৰতীয় পৰ্যায়তে কিয় সমগ্ৰ বিশ্বতে বন্দিত নোহোৱাকৈ নেথাকিব। বহু যুগ ধৰি অসমীয়া সাহিত্যক ৰামায়ণ মহাভাৰত অথবা ভাৰতীয় পৰম্পৰা, অসমৰ ইতিহাস, ইংৰাজী আৰু বঙালী সাহিত্যই সক্ষমভাৱে পৰিপুষ্টি কৰি আহিছিল। সেইবোৰ উৎসই আজি আমাক অনুপ্ৰাণিত নকৰে। কিন্তু আছে এই সমগ্ৰ অসম দেশ— তাৰ বিচিত্ৰ মানুহ, বৰ্ণাঢ্য প্ৰকৃতি আৰু মানুহৰ অন্তহীন সম্ভাৱনা। অসমক যি এবাৰ ভালদৰে ভাল পাইছে, পৰিপূৰ্ণভাৱে পাইছে, তেওঁৰ প্ৰত্যয় আৰু বিশ্বাসৰ অভাৱ হ'ব পাৰে নেকি?"[৩] 'গভীৰ উপলব্ধিৰে ৰচিত মৃত্যুহীন সাহিত্য' ৰচনাৰ বাবে প্ৰকাশে ঠাই উলিয়াই দিছিল আৰু লেখকসকলক তেনেধৰণৰ সাহিত্য ৰচনাৰ কাৰণে 'দৃষ্টিকোণ'ত অনুপ্ৰেৰণা আৰু আক্ষেপৰ তীব্ৰ বাক্যবাণ নিক্ষেপ কৰিছিল। বিশ্ব সাহিত্যৰ প্ৰসঙ্গত কিছুমান চিন্তা উদ্ৰেককাৰী কথা 'দৃষ্টিকোণ'ত আলোচনা কৰা হৈছে। ইংলেণ্ডত টলস্তয় আৰু দস্তয়েভস্কিৰ দৰে লেখকৰ জন্ম নোহোৱাৰ ব্যাখ্যা বিজ্ঞান সন্মত। উল্লেখ কৰা মতে 'ৰাচিয়াৰ মানুহে বিপ্লৱৰ আগত, জীৱনত যিমান নিদাৰুণ অত্যাচাৰ ভোগ আৰু সহ্য কৰিছে, পৃথিৱীৰ আন কোনো দেশৰ মানুহে ইতিহাসৰ কোনো কালতে সম্ভৱ সিমান কষ্ট কৰা নাই।"[৪] ক্লাচিক এখন সৃষ্টিৰ বাবে যি ভয় আৰু কৰুণাৰ কাৰকৰ প্ৰয়োজন ৰাচিয়াৰ সামাজিক ইতিহাসত তাৰ অলেখ উদাহৰণ পোৱা যায়। টলস্তয়, দস্তয়েভস্কি, টুৰ্গেনিভ আদিয়ে ৰাচিয়াৰ এই কৰুণ জীৱন গাঁঠা নিজ চকুৰে দেখিছিল। সেই ঘটনাবিলাকেই তেওঁলোকৰ হাতত বৰ্ণাঢ্য ক্লাচিকৰ ৰূপ লৈছিল। টলস্তয়ৰ উপন্যাস অকল কোনো কাল্পনিক ঘটনাৰ সমাহাৰ নহয়; বৰং উপন্যাসৰ ৰূপত ই সমগ্ৰ ৰুচ দেশৰ এক কলসন্মত ইতিহাস। মনত ৰখা দৰকাৰ 'দৃষ্টিকোণ'ত প্ৰকাশিত ৰাচিয়াৰ সাহিত্যৰ সামাজিক প্ৰেক্ষাপটৰ প্ৰসঙ্গ অসমীয়া সাহিত্যৰ ক্ষেত্ৰত এক নতুন অধ্যয়ন। 'মানুহৰ সম্পৰ্কে জ্ঞান আৰু অভিজ্ঞতা গভীৰ, অথবা সম্পূৰ্ণ নহ'লে লেখকে পূৰ্ণতা পাব নোৱাৰে'— এই কথা বিভিন্ন প্ৰসঙ্গেৰে 'দৃষ্টিকোণ'ত আলোচনা কৰা হৈছে। অসমীয়া সাহিত্য সমালোচনাৰ ক্ষেত্ৰখনৰ দীনতাৰ কথা সম্পাদকীয় পৃষ্ঠা 'দৃষ্টিকোণ'ত আলোচিত হৈছে। প্ৰখ্যাত লেখকে গল্প, উপন্যাস, কবিতাৰ দৰে মৌলিক ৰচনা সৃষ্টি কৰে। সেই মৌলিক ৰচনাক সমালোচনাই বন্দিত কৰে। লগে লগে সৃষ্টি হয় আন এদল সাহিত্যিক। যিয়ে সমালোচনা সাহিত্যৰ দিক নিৰ্ণয় কৰে। এই সকলোবোৰ কৰ্মৰ গুৰিতে হ'ল নগৰীকৰণ। কিন্তু অসমীয়া সাহিত্যত নগৰীকৰণৰ অভাৱ বাৰুকৈয়ে পৰিলক্ষিত হয়। অসমীয়া সমালোচনা সাহিত্যৰ দুৰ্বল দিশবোৰ 'দৃষ্টিকোণ'ত আঙুলিয়াই দিয়া হৈছে। প্ৰকৃত সমালোচনাৰ বিপৰীতে এচামে প্ৰচাৰমুখী আলোচনাত প্ৰবৃত্ত হৈ অসমীয়া সাহিত্যৰ প্ৰকৃত গতিপথ নিৰ্ণয়ত বাধাৰ সৃষ্টি কৰা কথাটোও সম্পাদকীয় প্ৰবন্ধত আলোচিত হৈছে। পৃথিৱীৰ তথা ভাৰতবৰ্ষৰ প্ৰখ্যাত সমালোচকসকলক অনুকৰণ নহয়, তেওঁলোকৰদ্বাৰা অনুপ্ৰাণিত হৈ মৌলিক সমালোচনাত প্ৰবৃত্ত হোৱাৰ আহ্বান কৰিছে। 'প্ৰকাশ'ৰ সম্পাদকীয় পৃষ্ঠা 'দৃষ্টিকোণ'ত ঘাইকৈ সাহিত্য আৰু আলোচনাই অধিক ঠাই অধিকাৰ কৰিছিল যদিও অসম আৰু অসমীয়াৰ অন্যান্য ক্ষেত্ৰসমূহতো দৃষ্টি নিদিয়াকৈ থকা নাছিল। গুৱাহাটী নগৰৰ কথা, অসম আন্দোলনৰ কথা ইত্যাদি বিভিন্ন কথাই 'দৃষ্টিকোণ'ত প্ৰকাশ হৈছিল।

৫ম বছৰ ৯ম সংখ্যাৰ সম্পাদকীয় শিৰোনাম— 'সাহিত্য আৰু সমস্যা'। সম্পাদকীয়টোত উল্লেখ কৰা হৈছে যে সমাজৰ সমস্যা সমাধানত সাহিত্যৰ বিশেষ মূল্য নাই। প্ৰাচ্য আৰু পাশ্চাত্যৰ বিভিন্নজন মণীষী আৰু তেওঁলোকৰ সৃষ্টিৰাজিৰ উদাহৰণ দাঙি ধৰি এই কথাটো উপস্থাপন কৰা হৈছে। সম্পাদকীয়ত লিখা অনুসৰি বুদ্ধ, খ্ৰীষ্ট, মহম্মদ, অশোক, লুথাৰ, চিজাৰ, আলেকজেণ্ডাৰ, নেপোলিয়ন, হিটলাৰ, আইনষ্টাইন, মাৰ্ক্স, ফ্ৰয়েড আদিয়ে সৃষ্টি, ধ্বংস আৰু

ধৰ্মৰ ক্ষেত্ৰত যিমান প্ৰভাৱ বিস্তাৰ কৰিব পাৰিছে তাৰ তুলনাত হোমাৰ, শ্বেক্সপিয়েৰ, মিল্টন, টলষ্টয়, টমাছ মান, বালজাক, ৰবীন্দ্ৰনাথ আদিৰ সৃষ্টিৰ প্ৰভাৱ অতি সামান্য। বাহ্যিক দৃষ্টিভংগীৰে কথাটোৰ সত্যতা আছে যদিও, সুক্ষ্ম বিচাৰত ইয়াৰ কিছু ব্যতিক্ৰম দেখা যায়। সাহিত্যিকসকলে তেওঁলোকৰ সাহিত্য কৰ্মৰ জৰিয়তে সমস্যা সমাধানত তাৎক্ষণিক প্ৰভাৱ পেলাব নোৱাৰিলেও; ইয়ে পাঠক সমাজক তেনে এটা পৰিস্থিতিৰ মুখামুখি হ'বলৈ মানসিকভাৱে প্ৰস্তুত কৰি তোলে। এই কথাটোত সম্পাদকীয় লেখাটোত বেছি গুৰুত্ব আৰোপ কৰা নাই। প্ৰসঙ্গক্ৰমে একোটা সম্পাদকীয়ত উল্লেখ কৰা হৈছে যে সাহিত্য কৰ্মৰ জৰিয়তে খ্যাতিৰ শিখৰত আৰোহন কৰা একোজন ব্যক্তিয়ে 'সামাজিক অন্যায়-পীড়নৰ বিৰুদ্ধে থিয় দি পুনৰ মানুহৰে দৃষ্টি আকৰ্ষণ কৰিবলগা হয়।' পিছে এই কথাটোৰ বিপৰীতে থকা সবল যুক্তিটো হ'ল সাহিত্যিকসকলে তেওঁলোকৰ সাহিত্য কৰ্মৰদ্বাৰা সামাজিক অন্যায়-পীড়নৰ বিৰুদ্ধে পাঠকক সজাগ কৰে আৰু প্ৰয়োজনবোধে তেওঁলোকে এই অন্যায়-পীড়নৰ বিৰুদ্ধে সমুখৰ পৰা নেতৃত্ব দিয়ে। গতিকে এই ক্ষেত্ৰত সাহিত্য কৰ্মৰ ভূমিকা অতি নগণ্য বুলি একে আষাৰে কোৱা টান।

অসমীয়া মানুহৰ ৰাজনৈতিক চিন্তাৰ অধ্যয়ন সীমিত। ইয়াৰ কাৰণো নথকা নহয়। সহজ-সৰল আৰু মূলতঃ কৃষিজীৱী জনগণৰ মাজত, য'ত 'আৰ্বানিটি'ৰ চিন মোকাম নাই তেনেকুৱা সমাজত ৰাজনৈতিক চিন্তাৰ উত্তৰণ আশাপ্ৰদ নোহোৱাটোৱেই স্বাভাৱিক। ৫ম বছৰ একাদশ সংখ্যাত 'আদৰ্শৰ দ্বন্দ্ব' শিৰোণামেৰে লিখা 'দৃষ্টিকোণ'ৰ বক্তব্য গুৰুত্বপূৰ্ণ। ইয়াত সন্ত্ৰাসবাদীসকলৰ লগত লেলিনৰ সংঘাত আৰু সংঘৰ্ষৰ বিষয় উপস্থাপন কৰি সৰলীকৃত বাগ্‌ধাৰাৰ অন্তৰ্নিহিত কথাবস্তুৰ ব্যাখ্যা দাঙি ধৰা হৈছে। অত্যাচাৰী জাৰৰ শাসনৰ অন্ত পেলোৱাৰ পিছত ৰুচ বিপ্লৱীসকলে কি বিচাৰিছিল? ৰুচ বিপ্লৱীসকলে বিচাৰিছিল ৰাষ্ট্ৰৰ বিলুপ্তি সাধন কৰি ক্ষমতা সাধাৰণ জনতাই কুক্ষিগত কৰা। কিন্তু বাস্তৱত সেয়া নহ'ল। লেলিনে সেয়া নিবিচাৰিলে। তেওঁ ক'লে এয়া সম্ভৱ নহয়। জনসাধাৰণ প্ৰস্তুত নোহোৱালৈকে ৰাষ্ট্ৰৰ বিলুপ্তি অসম্ভৱ। তাতেই বিপ্লৱীসকলৰ লগত লেলিনৰ সংঘাত আৰম্ভ হয়। ফলত হেজাৰ হেজাৰ বিপ্লৱী হয় নিৰ্বাসিত হ'ব লগা হ'ল, নহয় মৃত্যুবৰণ কৰিব লগা হ'ল। এয়া আদৰ্শৰ দ্বন্দ্ব। আদৰ্শৰ এই দ্বন্দ্বৰপৰা শিক্ষা লোৱাৰ প্ৰয়োজন আছে বিশ্ববাসীৰ, প্ৰয়োজন আছে অসমবাসীৰ। কাৰণ যি সময়ত 'দৃষ্টিকোণ'ত এই প্ৰসঙ্গ উত্থাপন কৰা হৈছিল তেতিয়া অসম আন্দোলনৰ ভৰপক। অসমীয়াসকলে এই আদৰ্শৰ দ্বন্দ্বৰ পৰা চিন্তাক আগবঢ়াই নিলে হয়তো অসম আন্দোলন পশ্চাৎ সমস্যাবিলাকে মূৰ দাঙি উঠিব নোৱাৰিলেহেঁতেন।

'প্ৰকাশ'ৰ সম্পাদকীয় পৃষ্ঠাবোৰ কেৱল কিতাপ আলোচনীৰ আলোচনাতে সীমিত হৈ থকা নাছিল। ই সমাজৰ বিস্তৃত ক্ষেত্ৰলৈ প্ৰসাৰিত হৈছিল। কেৱল সমস্যাৰ কথন আৰু নিৰাশাৰ অন্ধকুপত সোমাই থকাৰ পৰিৱৰ্তে সম্পাদকীয় পৃষ্ঠাত দেখা যায় সমস্যাৰ আলোচনা আৰু সমাধানৰ উপায় অন্বেষণ। ৬ষ্ঠ বছৰ দশম সংখ্যাৰ সম্পাদকীয় 'দৃষ্টিকোণ'ৰ 'সৰ্বগ্ৰাহী নিচা' শীৰ্ষক কথাখিনিত অৱক্ষয়িত সমাজ, তাৰ মাজতো থকা আশাৰ বতৰা আৰু অৱক্ষয়ৰপৰা মুক্তিৰ পথ অন্বেষণৰ বহল ব্যাখ্যা দাঙি ধৰা হৈছে। বিভিন্ন ঐতিহাসিক প্ৰেক্ষাপটৰ কথাৰ উদ্ধৃতিৰে বিষয়ৰ গভীৰতাত প্ৰবেশ কৰা হৈছে। সুৰা, জুৱা আৰু নাৰীৰ শৰীৰৰ প্ৰতি আকৰ্ষণৰ সৰ্বগ্ৰাহী নিচাই সমাজক যুগ যুগান্তৰপৰা কিছু পৰিমাণে আড়ষ্ট কৰি আহিছে। কিন্তু সেইবিলাকে সমাজখন একেবাৰে পঙ্গু কৰিব পৰা নাই। কাৰণ ইয়াৰ বিপৰীতে থকা কৰ্মৰ সাধনাই মানুহক প্ৰকৃত পথৰ সন্ধান দিছে। এইবিলাকৰ বিৰুদ্ধে আইন প্ৰণয়ন কৰি, বিক্ষোপ প্ৰদৰ্শন কৰি, সভা-সমিতি পাতি বা বিজ্ঞাপন আদি দি ইয়াক নিৰ্মূল কৰিব নোৱাৰি। ইয়াক কিছু পৰিমাণে সীমিত কৰি ৰখাৰ অমোঘ অস্ত্ৰ হৈছে মানুহক কৰ্মত প্ৰবৃত্ত কৰোৱা। মন কৰিবলগীয়া কথাটো হ'ল পৃথিৱীৰ কিছু সংখ্যক বিশ্ববিশ্ৰুত মণীষাৰ এই সৰ্বনাশী বস্তু কেইপদৰ প্ৰতি দুৰন্ত হাবিয়াস। কিন্তু তেওঁলোকৰ সৃষ্টি কৰ্মৰ আতিশয্যাই সিবিলাকক ওলোটাই গ্ৰাস কৰি তেওঁলোকৰ প্ৰগাঢ় ব্যক্তিত্বক উজলাই তোলে। টলষ্টয়, দস্তয়েভস্কি, হেমিংৱে আদি ইয়াৰ প্ৰকৃত উদাহৰণ। "... সাহিত্যৰ ন'বেল প্ৰাইজ পোৱাৰ বাতৰিত হেমিংৱেৰ মুখেদি মাত্ৰ এইকেইটা শব্দ প্ৰকাশ পাইছিল, এইবাৰ এলপ বেছিকৈ মদ খাব পৰা হ'ব। হিটলাৰে মদ আৰু মাংস দুয়োটাই খোৱা নাছিল; কিন্তু যীশু খ্ৰীষ্টই দুয়োটাকে খাইছিল ঃ পৰম ভক্তই ৰান্ধি দিয়া গাহৰিৰ মাংস ভিঙিত লাগি বুদ্ধদেৱৰ মৃত্যু হয় বুলি কোনো জীৱনীকাৰে কয়। বিদেশত সকলো ধৰণৰ মাংস খাই





বিবেকানন্দ অধৰ্মী হৈছে বুলি শিষ্যসকলে খঙেৰে তেওঁলৈ চিঠি লেখিছিল; তেওঁৰ উত্তৰ আছিল ঃ মানুহৰ খোৱাৰ ওপৰত ধৰ্ম বৰ্তি থাকে বুলি ভবাসকল মুৰ্খ। সাহিত্য ৰসিকসকলে লক্ষ্য কৰিব, মহৎ উপন্যাস 'ব্ৰাদাৰ্ছ কাৰামাজভ' প্ৰায় অসম্পূৰ্ণ হৈ থাকিল। ডষ্টয়েভস্কিয়ে বাৰ্লিনত জুৱা খেলিবলৈ গ্ৰন্থ প্ৰকাশকৰপৰা ধন ধাৰলৈ লৈছিল এই চৰ্তত যে সময়মতে ঋণ পৰিশোধ নহ'লে ভৱিষ্যতৰ তেওঁৰ সকলো ৰচনাৰ স্বত্ব প্ৰকাশকে পাব। বাৰ্লিণলৈ গৈ তেওঁ জুৱা খেলে, এটা পইচাও তেওঁ লাভ কৰিব নোৱাৰে; মাত্ৰ কিছুদিনৰ ভিতৰতে লেখা উপন্যাস প্ৰায় অসম্পূৰ্ণ হৈ থাকে।"[৫]

'প্ৰকাশ'ৰ সম্পাদকীয় দৃষ্টিকোণৰ জৰিয়তে সাহিত্যৰ স্বৰূপ নিৰ্ণয়ৰ প্ৰচেষ্টা একাধিকবাৰ কৰা হৈছে। সাহিত্য আৰু বস্তুবাদী ৰচনাৰ মাজত থকা সুক্ষ্ম পাৰ্থক্য সাধাৰণ পাঠকক অতি সহজ-সৰল ভাষাত বুজাই দিয়া হৈছে। সাহিত্য আৰু বস্তুবাদী ৰচনাৰ মাজত থকা প্ৰভেদৰ বিষয়ে নাজানি বহু নবীন সাহিত্যক তথা প্ৰবীণৰো কোনোজনে উজুটি খোৱা দেখা যায়। সাহিত্য সদায় কল্পনাশ্ৰয়ী আৰু এই কল্পনাশ্ৰয়ী সাহিত্যই প্ৰকৃততে সমাজ পৰিৱৰ্তনত কোনো ধৰণৰ গভীৰ নেতৃত্ব বহন কৰিব নোৱাৰে। পৃথিৱীৰ সাহিত্যৰ মাজত এনেএখন পুথি নাই যিখনে কোনো এক সামাজিক বিপ্লৱ সাৰ্থক কৰি তুলিছে। বহু সাহিত্যিকে মাৰ্ক্সৰ সাহিত্য আৰু বস্তুবাদী ৰচনাক একাকাৰ কৰি দিয়ে। কিন্তু বাস্তৱত সেয়া গ্ৰহণযোগ্য নহয়। সাহিত্যৰ জৰিয়তে বস্তুবাদী দৰ্শন প্ৰকট কৰিব গ'লে সি সাহিত্য গুচি বিদ্ৰোহৰ শ্লোগান কিম্বা বিদ্ৰোহীৰ বক্তব্য হ'ব। তেনে লেখাই কেতিয়াও পাঠকৰ অন্তৰাত্মাত আবেগৰ ঢৌ তুলিবলৈ সক্ষম নহয়। এই কথাটো নুবুজি বহু নবীন লেখকে বিভ্ৰান্ত হোৱা দেখা যায়। বাস্তৱ বৰ্জিত কল্পনাই কেতিয়াও উৎকৃষ্ট সাহিত্যৰ সৃষ্টি কৰিব নোৱাৰে। আনপিনে বস্তুবাদী ৰচনাৰ প্ৰথম চৰ্তটোৱে হৈছে কল্পনাৰ পৰা নিষ্কৃতি। এই সামান্য পাৰ্থক্যটো ধৰিব নোৱাৰি বহুতে হো-চি-মিন, কাৰ্লমাৰ্ক্স আদিৰ কল্পনাশ্ৰয়ী কবিতাত বস্তুবাদী দৰ্শনৰ অনুসন্ধানত লিপ্ত হোৱা দেখা যায়। অষ্টম বছৰ প্ৰথম সংখ্যা 'প্ৰকাশ'ৰ সম্পাদকীয় 'সাহিত্যিকৰ ক্ষমতা কিমানত' গোটেই বিষয়টোৰ সম্পূৰ্ণ ব্যাখ্যা দাঙি ধৰা হৈছে। সাহিত্য কৰ্মৰ লগত জড়িত সকলক এই লেখাই এটা দিকদৰ্শন দিছে। "কল্পনাশ্ৰয়ী সাহিত্য আৰু বিদ্ৰোহমূলক ৰচনাৰ, ৰসোত্তীৰ্ণ ৰচনা আৰু প্ৰচাৰধৰ্মী ৰচনাৰ মাজৰ সূক্ষ্ম পাৰ্থক্য ধৰিব নোৱাৰাৰ পৰিণামত আমাৰ নতুন লেখকসকল বিভ্ৰান্ত হোৱাৰ যথেষ্ট সম্ভাৱনা আছে।"[৬]

হিংসা আৰু যৌনতা সাহিত্যৰ বাবে প্ৰয়োজনীয় নে? মহৎ সাহিত্যত হিংসা আৰু যৌনতাৰ উপস্থাপন কেনে? ইত্যাদি বিভিন্ন কথাৰ আলোচনা পোৱা যায় অষ্টম বছৰ ৪ৰ্থ সংখ্যাৰ 'দৃষ্টিকোণ'ত। 'সাহিত্যৰ বিচিত্ৰ বিধান' শিৰোনামেৰে লিখা সম্পাদকীয়টোত এটা বাতৰিৰ প্ৰসঙ্গ উত্থাপন কৰি ব্যাখ্যা আগবঢ়োৱা হৈছে। বাতৰিটোত এক মহিলা অনুষ্ঠানে অশ্লীল বা যৌন-প্ৰধান হিংসাশ্ৰয়ী কিতাপ নষ্ট কৰি পেলোৱাৰ কাৰ্যসূচী আছিল। সম্পাদকীয়টোত উল্লেখ কৰা মতে, 'পৃথিৱীৰ এক সংখ্যক অতি মহৎ সাহিত্য হিংসা আৰু যৌনতাৰ ভিত্তিত ৰচিত হৈছে।' প্ৰসঙ্গক্ৰমে মহাভাৰতৰ কাহিনীৰ ৰূপৰেখা উপস্থাপন কৰা হৈছে। বিভিন্ন সৰু-বৰ হিংসাশ্ৰয়ী ঘটনা আৰু স্থূল দৃষ্টিত যৌনতাৰ আতিশয্য থকা অলেখ ঘটনাই মহাভাৰতত কেৱল স্থান পোৱাই নহয়, ই মহাকাব্যখনিৰ চালিকা শক্তি হিচাপেও কাম কৰে। কিন্তু মহাভাৰত ভালদৰে হৃদয়ঙ্গম কৰি পাঠকে এক সমাহিত আৰু অনাবিল আনন্দ লাভ কৰে। হিংসা আৰু যৌনতা পাঠকৰ পৰা সুদূৰত অৱস্থান কৰে। এনে হোৱাৰ মূলতে আছে মহাভাৰত ৰচনাৰ মূল উদ্দেশ্যৰ কথা। তেনেদৰে চফোক্লিচৰ 'ইডিপাচ'ত বৰ্ণিত হৈছে পিতৃহন্তা আৰু মাতৃৰ লগত বিবাহ পাশত আবদ্ধ হোৱা অডিপাছৰ কথা। হেমলেটৰ পিতৃ নিধন হৈছে পিতৃৰ ভাতৃৰ দ্বাৰা। এনেকুৱা অলেখ হিংসা আৰু যৌনাশ্ৰয়ী কাহিনীৰে সমৃদ্ধ মহৎ সাহিত্য। এইবোৰ গ্ৰন্থই যুগে যুগে বিদগ্ধ পাঠকক আকৰ্ষিত কৰি আহিছে। এই গ্ৰন্থসমূহ যুগে যুগে হিংসা আৰু যৌনতাক ওলোটাই প্ৰত্যাহ্বান জনাইছে। বিশ্বসাহিত্যৰ কথা বাদ দি আমি অসমীয়া সাহিত্যৰ ক্ষেত্ৰত দৃষ্টি নিবদ্ধ কৰিলেও সেই একে কথাকেই দেখিবলৈ পাওঁ। শংকৰদেৱৰ হৰমোহন বা ৰাসলীলাত যৌনতাই চৰম সীমা পাইছে। কিন্তু সেই যৌনতাই বোঁৱাই দিছে আধ্যাত্মিকতাৰ পৰম বাণী। গতিকে সাহিত্যত হিংসা আৰু যৌনতাই ক্ষতিকাৰক ৰূপ নলয়। ক্ষতিকাৰক ৰূপ লয় অসাহিত্যত থকা হিংসা আৰু যৌনতাই। অ-সাহিত্যৰ বিৰুদ্ধে কোনো আন্দোলনৰ প্ৰয়োজন নাই। ই এদিন আপুনাআপুনি কালৰ বুকুত নিশ্চিহ্ন হ'ব। হিংসা আৰু যৌনাশ্ৰয়ী সাহিত্য সম্পৰ্কে সম্পাদকে আগবঢ়োৱা আলোচনা সাহিত্যৰ বিচাৰত উৎকৃষ্ট।

জ্যোতিপ্ৰসাদ আৰু বিষ্ণুৰাভাৰ ওপৰত কৃষ্ণ আৰু শংকৰদেৱৰ প্ৰভাৱ পৰা কথাটো এচামে সজোৰে প্ৰতিষ্ঠা কৰিব বিচাৰে আৰু এচামে ইয়াক ক'বলৈ দ্বিধাবোধ কৰে। দুয়োটা দলৰে ব্যাখ্যা স্পষ্ট নহয়। ‘প্ৰকাশ’ৰ অষ্টম বছৰ দশম সংখ্যাৰ সম্পাদকীয়ত ইয়াৰ এটা স্পষ্ট ব্যাখ্যা পোৱা যায়। এই ব্যাখ্যা কেৱল স্পষ্টই নহয়; ই যথেষ্ট গুৰুত্বপূৰ্ণও। ভাৰতীয় আদৰ্শত কৃষ্ণক যদিও অৱতাৰ হিচাপে দেখুওৱা হয়, তথাপি তাত্ত্বিক দিশটোৰে সেইটো নিৰ্দেশ নকৰে। কৃষ্ণৰ মাতৃ অসুৰৰ বংশৰ, তেওঁৰ গাৰ বৰণ ক'লা, তেওঁ অব্ৰাহ্মণ, ডাঙৰ হৈছে গোৱালৰ ঘৰত, জন্মৰ পৰাই দুষ্কৃতিৰ বিৰুদ্ধে যুঁজিবলগীয়া হৈছে আৰু শেষত মৃত্যুবৰণ কৰিবলগীয়া হৈছে ব্যাধৰ হাতত। “নিজৰ জীৱনকালৰ ভাৰতীয় সমাজৰ দুৰ্নীতিৰ পৰিপ্ৰেক্ষিতত, কৃষ্ণৰ এই দুৰ্নীতি বিৰোধী বিদ্ৰোহাত্মক আদৰ্শই জ্যোতিপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদক উদ্বুদ্ধ কৰিছিল আৰু ভাৰতীয় সংস্কৃতিৰ এই আলোকসন্ধানী দিশটোলৈ লক্ষ্য নকৰিলে আমাৰ যুগৰ এই দুখন মহাপ্ৰাণ ব্যক্তিৰ জীৱনৰ তাত্ত্বিক দিশটোৰ বিষয়ে জনাটো অসম্ভৱ।

ধৰ্মৰ ফালটো বাদ দি হ'লেও শংকৰদেৱে অসমৰ সামাজিক ন্যায় আৰু সংস্কৃতি ৰক্ষা আৰু সাধাৰণ মানুহক ধৰ্মৰ শোষণৰ পৰা মুক্ত কৰাৰ বাবে যি আজীৱন সাধনা কৰিছিল, তাৰ এক সম্যক ধাৰণা হ'লেহে বিষ্ণুপ্ৰসাদ আৰু জ্যোতিপ্ৰসাদৰ জীৱনৰ মূল শক্তি উপলব্ধি কৰিব পৰা হ'ব।”[৬]

১৯৭৫ চনৰপৰা ১৯৮৫ চনলৈ প্ৰকাশিত ‘প্ৰকাশ’ৰ সম্পাদকীয় স্তম্ভত সম্পাদক চন্দ্ৰপ্ৰসাদ শইকীয়াই অসমীয়া ভাষা সাহিত্যৰ উন্নতিৰ কাৰণে অহোপুৰুষাৰ্থ কৰাৰ প্ৰমাণ পোৱা যায়। অসমীয়া সমালোচনা সাহিত্য, ব্ৰহ্মপুত্ৰ নদী আৰু শংকৰদেৱ প্ৰসঙ্গত ‘দৃষ্টিকোণে’ নতুন চিন্তাৰ উন্মেষ ঘটাইছিল। সম্পাদকৰ আক্ষেপে কেতিয়াবা অসহিষ্ণু ৰূপ লৈছিল। এই লৈ কিছু সংখ্যক প্ৰতিষ্ঠিত সাহিত্যিক ক্ষুণ্ণ হোৱাৰ অৱকাশ আছে। তেনে এক পৰিস্থিতিয়ে সম্পাদক চন্দ্ৰপ্ৰসাদ শইকীয়াক ‘প্ৰকাশ’ এৰিবলৈ বাধ্য কৰিছিল বুলি ভাবিব পাৰি। পৰৱৰ্তী কালৰ ‘প্ৰকাশ’ৰ সম্পাদকীয় পৃষ্ঠাত পূৰ্বৰ দহ বছৰৰ নিৰলস প্ৰচেষ্টাৰ অৱসান ঘটিল। ইয়াৰ পৰিৱৰ্তে গতানুগতিকতাই সম্পাদকীয় পৃষ্ঠা অধিকাৰ কৰি ল'লে।

**২.০ মন্তব্য ঃ**

‘প্ৰকাশ’ আলোচনীৰ প্ৰথম দহ বছৰৰ সম্পাদকীয়ৰ বিশ্লেষণাত্মক অধ্যয়ন কৰি দেখা পোৱা গৈছে যে আধুনিক অসমীয়া সাহিত্যৰ বিকাশ আৰু বিস্তাৰত ‘ৰামধেনু’ৰ পিছতেই ‘প্ৰকাশে’ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। অসমীয়া উপন্যাস সাহিত্যৰ শ্ৰীবৃদ্ধিৰবাবে ‘প্ৰকাশ’ৰ সম্পাদকীয়ৰ জৰিয়তে প্ৰচেষ্টা চলোৱা হৈছিল আৰু ইয়াৰ ফলশ্ৰুতিতে ‘প্ৰকাশ’ৰ প্ৰথম দহ বছৰতে চাৰিখন বিখ্যাত অসমীয়া উপন্যাস ক্ৰমে নৱকান্ত বৰুৱাৰ ‘গৰমা কুঁৱৰী’, দেবেন্দ্ৰনাথ আচাৰ্যৰ ‘জঙ্গম’, মামণি ৰয়ছম গোস্বামীৰ ‘দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা’ আৰু ৰং বং তেৰাঙৰ ‘ৰংমিলিৰ হাঁহি’ প্ৰকাশ হৈছিল। আধুনিক অসমীয়া সাহিত্যত মহৎ সাহিত্য সৃষ্টিৰবাবে ‘প্ৰকাশ’ৰ সম্পাদকীয়ত আহ্বান জনোৱা হৈছিল আৰু এই আহ্বানদ্বাৰা লেখকসকল প্ৰভাৱিত হৈছিল। নীলমণি ফুকনৰ কবিতাত এই প্ৰভাৱ লক্ষ্য কৰা যায়। ‘ৰামধেনু’ স্তৰৰ কবিতাৰ পৰা আঁতৰি আহি ‘প্ৰকাশ’ৰ স্তৰত তেখেতে এক সুকীয়া কাব্যধাৰাৰ সৃষ্টি কৰিছিল। এচাম নতুন লেখক সৃষ্টিত ‘প্ৰকাশ’ৰ সম্পাদকীয়ত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছিল। ‘প্ৰকাশ’ৰ প্ৰথম দহ বছৰৰ সম্পাদকীয়ত সম্পাদকৰ সমাজিক দায়বদ্ধতাৰ পৰিচয় পোৱা যায়। বিদেশী নাগৰিকৰ সমস্যা, গ্ৰন্থৰ প্ৰকাশ আৰু বিপননৰ সমস্যা আদিক জনসাধাৰণৰ আগত দাঙি ধৰিবলৈ সম্পাদকীয় পৃষ্ঠাত প্ৰচেষ্টা চলোৱা হৈছিল। মুঠৰ ওপৰত এটা সুস্থ সাহিত্যিক পৰিমণ্ডল সৃষ্টি কৰিবলৈ ‘প্ৰকাশ’ৰ সম্পাদকীয়ৰ জৰিয়তে প্ৰচেষ্টা চলোৱা হৈছিল আৰু এই ক্ষেত্ৰত সম্পাদকে কিছু পৰিমানে সফল হৈছিল।❑❑

**অন্ত্যটীকা ঃ**

১. শইকীয়া, চন্দ্ৰপ্ৰসাদ, ‘দৃষ্টিকোণ’, *প্ৰকাশ, অক্টোবৰ*, ১৯৭৭, পৃ.৬





২. সদ্যোক্ত, *প্ৰকাশ, নৱেম্বৰ*, ১৯৭৭, পৃ.৭

৩. সদ্যোক্ত, *প্ৰকাশ, চেপ্তেম্বৰ*, ১৯৭৮, পৃ.৪

৪. সদ্যোক্ত, *প্ৰকাশ, এপ্ৰিল*, ১৯৭৯, পৃ.২

৫. সদ্যোক্ত, *প্ৰকাশ, জুলাই*, ১৯৮১, পৃ.২

৬. সদ্যোক্ত, *প্ৰকাশ, অক্টোবৰ*, ১৯৮২, পৃ. ২


**গ্ৰন্থপঞ্জী ঃ**

**আকৰ-গ্ৰন্থ ঃ**

শইকীয়া, চন্দ্ৰপ্ৰসাদ (সম্পা.) ঃ *প্ৰকাশ* (১৯৭৫ চনৰ পৰা ১৯৮৫ চনলৈ), গুৱাহাটী

**অসমীয়া-গ্ৰন্থ ঃ**

কটকী, প্ৰফুল্ল ঃ *সাহিত্য আৰু সংজ্ঞা*, গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী,প্ৰথম প্ৰকাশ, ১৯৭১

ঃ *ক্ৰমবিকাশত অসমীয়া কথাশৈলী*, বীণা লাইব্ৰেৰী, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৭৯

কলিতা, ভবেন ঃ *বিংশ শতিকাৰ অসমৰ যাত্ৰাদল*, জাৰ্নাল এম্পৰিয়াম, নলবাৰী, প্ৰথম প্ৰকাশ, ২০০৩

গগৈ, লীলা (সম্পা.) ঃ *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়*, বনলতা, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ, ২০০২

গগৈ, হৃদয়ানন্দ (সম্পা.) ঃ *চন্দ্ৰপ্ৰসাদ শইকীয়া ৰচনাৱলী*, প্ৰথম খণ্ড, অসম প্ৰকাশন পৰিষদ, প্ৰথম প্ৰকাশ, ২০১২

ঃ *চন্দ্ৰপ্ৰসাদ শইকীয়া ৰচনাৱলী*, দ্বিতীয় খণ্ড, অসম প্ৰকাশন পৰিষদ, প্ৰথম প্ৰকাশ, ২০১৪

ঃ *ৰামধেনুৰ শ্ৰেষ্ঠ গল্প*, জ্যোতি প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৯৭

ঃ *জীৱন স্বপ্নৰ অনুৰণন ঃ চন্দ্ৰপ্ৰসাদ শইকীয়া*, জ্যোতি প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৯৯

গোস্বামী, উপেন্দ্ৰনাথ ঃ *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ*, বৰুৱা এজেন্সী, গুৱাহাটী, ১৯৯১

গোস্বামী, ত্ৰৈলোক্যনাথ ঃ *নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য*, বাণী প্ৰকাশ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৮০

গোস্বামী, শৰৎচন্দ্ৰ ঃ *অসম দেশৰ পুৰণি কথা আৰু মহাসমৰ*, অসম সাহিত্য সভা, যোৰহাট, প্ৰথম প্ৰকাশ, ২০০৫

গোঁহাই, হীৰেন ঃ *সাহিত্য আৰু চেতনা*, গুৱাহাটী বুকষ্টল, গুৱাহাটী, ১৯৭৭

*উপন্যাসৰ আধুনিক সমালোচনা*, এল বি এছ পাব্লিকেশ্যন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৮৫